[1997] SUPP. 6. S.C.R. 153

1997 INSC 786

আবেদনকাৰী:

**আৰ.কে. কৃষ্ণ কুমাৰ ইত্যাদি. ইত্যাদি., চৈয়দ কিড়ৱাই, কে. শ্ৰীধৰ**

বনাম

প্ৰতিপক্ষ:

**অসম ৰাজ্য আৰু অন্যান্য**

ৰায়দানৰ তাৰিখ: ০৩-১২-১৯৯৭

ন্যায়াধীশ মণ্ডলী:

এম.কে. মুখাৰ্জী, কে.টি. থ'মাছ

আইন:

শীৰ্ষ-টোকা:

ৰায়:

ডিচেম্বৰ ৩, ১৯৯৭

উপস্থিত:

মাননীয় ন্যায়াধীশ এম.কে. মুখাৰ্জী ডাঙৰীয়া

মাননীয় ন্যায়াধীশ কে.টি. থ'মাছ ডাঙৰীয়া

আপীলকাৰীৰ হৈ জ্যেষ্ঠ অধিবক্তা চোলী জে. সোৰাবজী, শান্তি ভূষণ, অৰুণ জেটলী, তেওঁলোকৰ সৈতে অধিবক্তা মহেশ জেঠমালানী, অৰবিন্দ কুমাৰ, উপমান্যু হাজৰিকা, আৰ.এন. কৰণজাৱালা, মিচ নন্দিনী গোৰে, মিচ কৰণজাৱালা।

প্ৰতিপক্ষৰ হৈ জ্যেষ্ঠ অধিবক্তা কে.টি.এছ. তুলসী, তেওঁৰ সৈতে অধিবক্তা সুনীল জৈন, বিজয় হাঙ্গৰিয়া, বিকাশ পাওহা, মেছাৰ্ছ জৈন হাঙ্গৰিয়া এণ্ড কো.-ৰ হৈ অধিবক্তা।

ৰায়:

এই আদালতৰ নিম্নোক্ত ৰায় প্ৰদান কৰা হৈছিল:

১৯৯৭ চনৰ ফৌজদাৰী আপীল নং ১১৫৮

(১৯৯৭ চনৰ এছ.এল.পি. (চিআৰএল.) নং ৩৫০০-ৰ পৰা উদ্ভৱ হোৱা)-ৰ

সৈতে

১৯৯৭ চনৰ ফৌজদাৰী আপীল নং ১১৫৯

(১৯৯৭ চনৰ এছ.এল.পি. (চিআৰএল.) নং ৩৫০২-ৰ পৰা উদ্ভৱ হোৱা)-ৰ

সৈতে

১৯৯৭ চনৰ ফৌজদাৰী আপীল নং ১১৬০

(১৯৯৭ চনৰ এছ.এল.পি. (চিআৰএল.) নং ৩৫০৮-ৰ পৰা উদ্ভৱ হোৱা)-ৰ

সৈতে

ৰায়:

ন্যায়াধীশ এম.কে. মুখাৰ্জী

এই সকলোবোৰ আবেদনৰ অনুমতি দিয়া হৈছে। পক্ষসমূহৰ বিদ্বান অধিবক্তাক শুনা হৈছে।

২. অসমৰ বিশেষ অভিযান গোট (এছ.অ'.ইউ.)-ৰ আৰক্ষী অধীক্ষকে দাখিল কৰা এজাহাৰ (এফ.আই.আৰ.)-ৰ ওপৰত ভাৰতীয় দণ্ডবিধি আইনৰ ১২০-বি, ১২১, ১২১-এ আৰু ১২২ নং ধাৰা আৰু অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৬৭ (চমুকৈ 'আইন')-ৰ ১০ আৰু ১৩ নং

ধাৰাত গোচৰ এটা এছ.অ'.ইউ. আৰক্ষী থানাত পঞ্জীয়ন কৰা হৈছিল। এজাহাৰ ইউনাইটেড লিবাৰেচন ফ্ৰণ্ট অৱ অসম (আলফা)-কে ধৰি কিছুমান উগ্ৰপন্থী সংগঠনৰ বিচ্ছিন্নতাবাদী কাৰ্যকলাপৰ সন্দৰ্ভত অসম ৰাজ্যত ভিত্তি কৰি দাখিল কৰা হৈছিল। সেই গোচৰৰ সন্দৰ্ভত ১৯৯৭ চনৰ ২৩ আগষ্টত মুম্বাই বিমানবন্দৰত তিনিগৰাকী আলফা কৰ্মীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অভিযোগ কৰা হৈছে যে তেওঁলোকৰ জেৰাত তেওঁলোকৰ হোটেলৰ বিল আৰু তেওঁলোকৰ এগৰাকীৰ চিকিৎসালয়ৰ বিল, অৰ্থাৎ শিশু জন্মৰ বাবে ভৰ্তি হোৱা শ্ৰীমতী প্ৰণতি ডেকাৰ বিল, টাটা টি কোম্পানী লিমিটেডে (চমুকৈ 'কোম্পানী'), অন্যৰ লগতে, কোম্পানীটোৰ জেনেৰেল মেনেজাৰ শ্বামশ্বেৰ সিং ডোগ্ৰাৰ নিৰ্দেশনাত বহন কৰিছিল। কিছুদিন পিছত সমগ্ৰ দেশতে প্ৰচাৰিত বিভিন্ন বাতৰি কাকতত অসমৰ আৰক্ষী সঞ্চালক প্ৰধানে আয়োজন কৰা সংবাদমেলৰ প্ৰতিবেদন এইদৰে প্ৰকাশ পাইছিল যে কোম্পানীয়ে কেৱল আলফাৰ শীৰ্ষস্থানীয় উগ্ৰপন্থীৰ ব্যক্তিগত বিল পৰিশোধ কৰাই নহয়, বিভিন্ন সময়ত আলফাক ধনো প্ৰদান কৰিছিল যাৰ পৰিমান কেইবা লাখ টকা হৈছিলগৈ। প্ৰতিবেদনখন পঢ়ি কোম্পানীটোৰ পৰিচালন সঞ্চালক, কাৰ্যবাহী সঞ্চালক আৰু পৰামৰ্শদাতা (আমাৰ সমুখত থকা তিনি আপীলকাৰী) ক্ৰমে শ্ৰী আৰ.কে. কৃষ্ণ কুমাৰ, শ্ৰী এছ. কিড়ৱাই আৰু শ্ৰী কে. শ্ৰীধৰে, আশংকা কৰিছিল যে তেওঁলোকক ওপৰৰ গোচৰৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হ'ব পাৰে। ইয়াৰ পিছতে বম্বে উচ্চ ন্যায়ালয়ত ফৌজদাৰী কাৰ্যবিধি আইনৰ ৪৩৮ নং ধাৰাত পৃথকে পৃথকে আবেদন দাখিল কৰি ওপৰোক্ত গোচৰৰ সন্দৰ্ভত বা আলফা উগ্ৰপন্থীক পুঁজি যোগান সংক্ৰান্তীয় যিকোনো গোচৰত অসমৰ আৰক্ষী সঞ্চালক প্ৰধানৰ পদক্ষেপমৰ্মে তেওঁলোকৰ গ্ৰেপ্তাৰ হ'লে তেওঁলোকক মুকলি কৰি দিয়াৰ নিৰ্দেশনা দিবৰ বাবে প্ৰাৰ্থনা জনায়। বম্বে উচ্চ ন্যায়ালয়ে তেওঁলোকৰ প্ৰাৰ্থনাৰ অনুমতি দিছিল; আৰু ইয়াৰ দ্বাৰা ক্ষুব্ধ হৈ অসম ৰাজ্যই বিশেষ অনুমতি লাভ কৰাৰ পিছত এই আদালতত আপীল দাখিল কৰিছিল। এই আদালতে বম্বে উচ্চ ন্যায়ালয়ৰ আদেশটো প্ৰত্যাখ্যান

কৰিছিল কিয়নো ইয়াক একপক্ষীয়ভাৱে (ex parte) গৃহীত কৰা হৈছিল আৰু আপীলকাৰীসকলে দাখিল কৰা অগ্রিম জামিন আবেদনবোৰ খণ্ড বিচাৰপীঠৰ দ্বাৰা নিষ্কাশনৰ বাবে গৌহাটি উচ্চ ন্যায়ালয়লৈ প্রেৰণ কৰিছিল। এই আদালতে অৱশ্যে আপীলকাৰীসকলক বম্বে আদালতে প্রদান কৰা অগ্রিম জামিনত ১৯৯৭ চনৰ ৭ নৱেম্বৰলৈকে চলি থাকিবলৈ অনুমতি দিছিল। উক্ত নির্দেশনা অনুসৰি ১৯৯৭ চনৰ ৭ নৱেম্বৰত গৌহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে অগ্রিম জামিনৰ বাবে কৰা আবেদনসমূহ শুনানি গ্রহণ কৰে আৰু আপীলকাৰীসকলৰ প্রার্থনা নাকচ কৰা হয়। সেয়েহে তেওঁলোকে এই আপীল দাখিল কৰিছে।

৩. এই আদালতৰ সন্মুখত দাখিল কৰা শপতনামাসমূহৰ পৰা (আৰু ইয়াৰ পৰিশিষ্টসমূহৰ পৰা) সংগ্রহ কৰা আপীলকাৰীসকলৰ গোচৰটো চমুকৈ তলত দিয়া ধৰণৰ:

(ক) অসম ৰাজ্যত ২১ খন চাহ বাগিচা কোম্পানীটোৰ মালিকীস্বত্বত আছে আৰু ইয়াৰ ২১,০০০ পঞ্জীভুক্ত কর্মচাৰী আছে। কোম্পানীটো আলফাকে ধৰি বিভিন্ন উগ্রপন্থী সংগঠনৰ ধন দাবী, হত্যা আৰু অপহৰণৰ লক্ষ্য লৈ আহিছে। বিগত সময়ছোৱাত কোম্পানীটোৰ কর্মচাৰীসকলক ভয় খুৱাই আটক কৰি মুক্তিৰ বাবে ধনৰ দাবী উত্থাপন কৰাৰ কেইবাবাৰো চেষ্টা কৰা হৈছিল। ১৯৯৩ চনত গৌহাটীত নিয়োজিত কোম্পানীটোৰ জ্যেষ্ঠ কার্যবাহী বি. বৰদলৈ ডাঙৰীয়াক সেই উগ্রপন্থী সংগঠনবোৰৰ এটাই বন্দী কৰি এঘাৰ মাহৰ বাবে আটক কৰি ৰাখিছিল। যদিও কোম্পানীটোক জনসাধাৰণে, আৰু বিশেষকৈ বৰদলৈ ডাঙৰীয়াৰ পৰিয়ালে তেওঁৰ মুক্তি নিশ্চিত কৰাৰ বাবে উগ্রপন্থী সংগঠনটোৱে দাবী কৰা ধন দিবলৈ হেঁচা প্রয়োগ কৰিছিল, তথাপিও তেওঁলোকে তেনে কৰিবলৈ অস্বীকাৰ কৰিছিল। পিছলৈ আলফাই কোম্পানীটোৰ ওপৰত বাৰে বাৰে বিভিন্ন দাবী উত্থাপন কৰিছিল, যেনে ইয়াৰ মালিকানাধীন প্রতিখন চাহ বাগিছাৰ বাবে কৰ, ৰাকি-টকি চেট আদি। এনে প্রতিটো দাবী কোম্পানীয়ে

ব্যক্তিগতভাৱে তেওঁলোকৰ বিষয়াৰ জৰিয়তে নহয় চিঠিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ উপযুক্ত কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰে কোম্পানীটোক নিজৰ গুপ্ত বাৰ্তা বিভাগৰ সৈতে যোগাযোগ কৰাইছিল।

(খ) কোম্পানীটোৰ মতে কেন্দ্ৰীয় গুপ্ত বাৰ্তা বিভাগেহে উগ্ৰপন্থীৰ সৈতে আলোচনা অব্যাহত ৰাখিবলৈ পৰামৰ্শ দিছিল যদিও তেওঁলোকক মুক্তিপণ/সুৰক্ষাৰ ধন নিদিবলৈ পৰামৰ্শ দিছিল। যদিও কোম্পানীয়ে উগ্ৰপন্থীসকলক কোনো ধৰণৰ অবৈধ ধন প্ৰদান নকৰে বুলি জোৰ দিছিল তথাপিও অসমৰ জনসাধাৰণৰ বাবে কেইবাখনো সামাজিক আৰু সম্প্ৰদায় কল্যাণমূলক আঁচনি প্ৰণয়ন কৰিছিল। কোম্পানীটোৱে কয় যে উগ্ৰপন্থী সংগঠনৰ সৈতে সকলো আলোচনা কেন্দ্ৰীয় চৰকাৰৰ সংস্থাসমূহৰ জ্ঞান আৰু নিৰ্দেশনাত হৈছিল।

(গ) কোম্পানীয়ে আলফাৰ সৈতে আলোচনা কৰিছিল বুলি, তেওঁলোকৰ দাবীৰ সৈতে সংগতি ৰাখি সেই সংস্থাটোৰ কিছুমান নেতাক বেংককত লগ পোৱা বুলি, আৰু মুম্বাইত তেওঁলোকৰ সদস্যসকলৰ চিকিৎসালয়ৰ বিল আৰু হোটেলৰ বিল পৰিশোধ কৰা বুলি স্বীকাৰ কৰিও, সেইটো অৱগত কৰিছে যে তেওঁলোকে কোম্পানী আৰু ইয়াৰ চাহ বাগিচাসমূহৰ কৰ্মচাৰীসকলৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে সংস্থাসমূহৰ কিছুমান দাবীৰ ওচৰত নতশিৰ হ'বলৈ বাধ্য হৈছিল। কোম্পানীয়ে অৱশ্যে আলফা বা আন কোনো উগ্ৰপন্থী সংগঠনক কোনো ধৰণৰ মুক্তিপণ বা সুৰক্ষাৰ বাবে ধন দিয়াৰ কথা স্পষ্টভাৱে অস্বীকাৰ কৰে।

৪. ওপৰৰ তথ্য আৰু পৰিস্থিতিৰ ভিত্তিত কোম্পানীটোৰ হৈ হাজিৰ হোৱা শান্তি ভূষণ ডাঙৰীয়াই দাবী কৰিছিল যে কোম্পানীটোৰ কোনো বিষয়াই তেওঁলোকৰ বিৰুদ্ধে উত্থাপন কৰা অপৰাধবোৰেই নহয়, কোনো অপৰাধেই সংঘটিত কৰা বুলি ক'ব নোৱাৰি।

৫. প্ৰতিপক্ষ - অসম ৰাজ্যৰ হৈ হাজিৰ হোৱা তুলসী ডাঙৰীয়াই অৱশ্যে কোম্পানীটোৰ হৈ আগবঢ়োৱা বিতৰ্ক খণ্ডন কৰি দাবী কৰে যে তদন্তত আপীলকাৰীকে ধৰি কোম্পানীটোৰ কেইবাজনো বিষয়া আলফা আৰু অন্যান্য উগ্ৰপন্থী সংগঠনসমূহৰ সৈতে অবৈধ আৰু অনৈতিক কাৰ্যকলাপত জড়িত হোৱাৰ কথা পোহৰলৈ আহিছে আৰু সেয়েহে আপীলকাৰীসকলক অগ্ৰিম জামিন দিয়া উচিত নহয়। তুলসী ডাঙৰীয়াই পুনৰ কয় যে জিম্মাত থকা আপীলকাৰীসকলক জেৰা কৰিবলৈ তদন্তকাৰী সংস্থা পোৱা, তদন্তকাৰী সংস্থাৰ সৈতে উপলব্ধ তথ্যৰ সৈতে তেওঁলোকক আগভেটি ধৰা, উগ্ৰপন্থীসকলৰ গুপ্ত বাহৰ বা লুকাই থকা স্থানত অভিযান আৰু তালাচী চলাই জেৰাৰ জৰিয়তে লাভ কৰা সূত্ৰ অনুসৰি তেওঁলোকৰ সংস্কৰণ লাভ কৰাৰ সুযোগ অস্বীকাৰ কৰাটোৱে আইনখনৰ অৰ্থৰ ভিতৰত টাটা টি কোম্পানীৰ কৰ্মচাৰীসকলৰ 'অবৈধ কাৰ্যকলাপ'ৰ সৈতে জড়িত হোৱাৰ পৰিসৰ আৰু পদ্ধতি আৱিষ্কাৰ কৰিব পৰাত তদন্তকাৰী সংস্থাটোক গুৰুতৰভাৱে অক্ষম কৰি তুলিছে। তেওঁৰ বিতৰ্কৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ তুলসী ডাঙৰীয়াই ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৭২ নং ধাৰাৰ অধীনত প্ৰস্তুত কৰা আৰু বজাই ৰখা মোকৰ্দ্দমা পঞ্জী আমাৰ হাতত গতাই দিয়ে।

৬. মোকৰ্দ্দমা পঞ্জীখন ভালদৰে পঢ়িলে আমি দেখিবলৈ পাওঁ যে তদন্তত এয়া প্ৰকাশ হৈছে যে কোম্পানীটোৰ কিছুমান বিষয়াই ভাৰতৰ ভিতৰত আৰু বাহিৰত আলফাৰ শীৰ্ষ নেতাক সাক্ষাৎ কৰিছিল য'ত তেওঁলোকৰ মাজত আলফাই কৰা বিভিন্ন দাবীক লৈ আলোচনা হৈছিল আৰু কোম্পানীয়ে সেই দাবীসমূহৰ কিছুমান মানি ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল। তদন্তত আৰু প্ৰকাশ পাইছে যে কোম্পানীয়ে সংস্থাটোক ধন আগবঢ়াইছিল আৰু ইয়াত আপীলকাৰীসকলৰ ভূমিকা আছিল।

৭. তদন্তৰ সময়ত সংগ্ৰহ কৰা ওপৰৰ তথ্য-পাতিৰ ভিত্তিত এতিয়া দেখা যাব যে আপীলকাৰীসকলক যিবোৰ অপৰাধৰ বাবে দায়ী কৰিবলৈ বিচৰা হৈছে, সেইবোৰ অপৰাধ তেওঁলোকে সংঘটিত কৰিছে নে নাই। প্ৰথমতে যিকোনো অপৰাধ সংঘটিত কৰিবলৈ অপৰাধমূলক ষড়যন্ত্ৰৰ সৈতে জড়িত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০-বি আৰু বিশেষভাৱে ৰাজ্যৰ বিৰুদ্ধে অপৰাধৰ সৈতে জড়িত ধাৰা ১২১, ১২১-এ আৰু ১২২-লৈ আহোঁ। ১২১ ধাৰাত ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধত নিয়োজিতসকলক শাস্তি দিয়াৰ ব্যৱস্থা আছে যদিও বাকী দুটা ধাৰা ক্ৰমে অস্ত্ৰ আদি সংগ্ৰহ কৰি এনে অপৰাধ সংঘটিত কৰিবলৈ ষড়যন্ত্ৰ আৰু প্ৰস্তুতিৰ সৈতে জড়িত।

৮. আইনখনৰ ধাৰা ১০ আৰু ১৩-ৰ অধীনত কল্পিত অপৰাধৰ প্ৰকৃতি নিৰ্ণয় কৰিবলৈ প্ৰথমে আইনখনৰ ধাৰা ২ (এফ)-ত থকা 'অবৈধ কাৰ্যকলাপ'ৰ সংজ্ঞাটো উল্লেখ কৰাটো প্ৰয়োজনীয় হ'ব যিটো তলত দিয়া ধৰণৰ:

> "'অবৈধ কাৰ্য্যকলাপ', কোনো ব্যক্তি বা সংঘৰ সম্পৰ্কত, তেনে ব্যক্তি বা সংঘৰ দ্বাৰা গ্ৰহণ কৰা যিকোনো কাৰ্য্য (সেয়া কোনো কাৰ্য্য বা শব্দৰ দ্বাৰা, কথিত বা লিখিত, বা সংকেত বা দৃশ্যমান উপস্থাপন বা অন্য কোনো ধৰণে সংঘটিত কৰি হওঁক), -
>
> (i) যিটো অভিপ্ৰেত, বা ভাৰতৰ ভূ-খণ্ডৰ কোনো অংশৰ ভূমিত্যাগ বা ভাৰতৰ ভূ-খণ্ডৰ কোনো অংশৰ বিচিন্নতাবাদৰ যিকোনো দাবী বা যিকোনো ভিত্তিৰ সমৰ্থন কৰে, বা যিকোনো ব্যক্তি বা ব্যক্তিৰ সংস্থাক তেনে ভূমিত্যাগ বা বিচিন্নতাবাদৰ বাবে উৎসাহিত কৰে;
>
> (ii) যিটোৱে ভাৰতৰ সাৰ্বভৌমত্ব আৰু ভূ-খণ্ড জড়িত অখণ্ডতা অস্বীকাৰ কৰে, প্ৰশ্ন কৰে, বিঘ্নিত কৰে বী বিঘ্নিত কৰাৰ প্ৰয়াস কৰে;"

‘অবৈধ সংঘ’ ধাৰা ২(জি)-ত সংজ্ঞায়িত কৰা হৈছে যে যাৰ অৰ্থ হ’ল যিকোনো সংঘ :

“(i) যাৰ উদ্দেশ্যত কোনো অবৈধ কাৰ্য্যকলাপ থাকে, বা যিয়ে ব্যক্তিক কোনো অবৈধ কাৰ্য্যকলাপ গ্ৰহণ কৰিবলৈ উৎসাহিত বা সহায় কৰে, বা যাৰ সদস্যসকলে এনে কাৰ্য্যকলাপ গ্ৰহণ কৰে; অথবা

(ii) যাৰ উদ্দেশ্যত এনে কোনো কাৰ্য্যকলাপ আছে যিটো ভাৰতীয় দণ্ডবিধি (১৮৬০ চনৰ ৪৫)-ৰ ধাৰা ১৫৩-বি-ৰ ধাৰা ১৫৩-এ-ৰ অধীনত শাস্তিযোগ্য, বা যিয়ে ব্যক্তিক এনে কোনো কাম কৰিবলৈ উৎসাহিত বা সহায় কৰে, বা যাৰ সদস্যসকল এনে যিকোনো কাৰ্য্যকলাপ গ্ৰহণ কৰে:

চৰ্তত, উপ-ধাৰা (ii)-ত থকা কোনো কথাই জম্মু-কাশ্মীৰ ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য নহ’ব।

৯. ধাৰা ১০-ত উল্লেখ আছে যে যিয়েই ধাৰা ৩-ৰ অধীনত জাৰি কৰা অধিসূচনাৰ দ্বাৰা অবৈধ বুলি ঘোষণা কৰা সংঘৰ সদস্য হয় আৰু হৈ থাকে, যিটো সেই ধাৰাটোৰ উপ-ধাৰা (৩)ৰ অধীনত কাৰ্যকৰী হৈছে, বা এনে কোনো অবৈধ সংঘৰ সভাত অংশগ্ৰহণ কৰে, বা এনে কোনো অবৈধ সংঘৰ উদ্দেশ্যে অৰিহণা যোগোৱা বা লাভ কৰা বা বিচৰা বা কোনো ধৰণে এনে কোনো অবৈধ সংঘৰ পৰিচালনাত সহায় কৰে, দুবছৰলৈকে কাৰাদণ্ডৰ শাস্তিৰ লগতে জৰিমনাও ভৰিব লগীয়া হ’ব।

১০. ১৩ নং ধাৰাত ‘অবৈধ কাৰ্যকলাপ’ৰ বাবে শাস্তিৰ কথা কোৱা হৈছে আৰু ইয়াত কোৱা হৈছে যে: আপীলকাৰীসকলৰ বিৰুদ্ধে উত্থাপিত গুৰুত্বপূৰ্ণ অভিযোগসমূহ আইনখনৰ অধীনত কল্পনা কৰা ‘অবৈধ কাৰ্যকলাপ’ৰ সংক্ৰান্তত মূল্যায়ন কৰা হয় আৰু মূল্যায়নৰ পিছত এই

সিদ্ধান্ত লোৱা হয় যে আইনৰ ১৩ নং ধাৰাত আপীলকাৰীসকলক কোনো অপৰাধত দোষী বুলি গণ্য কৰিব নোৱাৰি, আৰু ভাৰতীয় দণ্ডবিধিৰ অধীনত উল্লেখ কৰা আন অপৰাধসমূহৰ বাবে তেওঁলোক দোষী হোৱাৰ সম্ভাৱনা আৰু অধিক কম। ফলস্বৰূপে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৪৩৮ নং ধাৰাত অগ্ৰিম জামিন (গ্ৰেপ্তাৰৰ পূৰ্বে জামিন) প্ৰদানৰ বিষয়টো উত্থাপন নহয় বা কৰিব নোৱাৰি, কাৰণ আইনখনৰ ১০ নং ধাৰাত অপৰাধ জামিনযোগ্য হয়; আৰু ৪৩৮ নং ধাৰাৰ অধীনত নিৰ্দেশনা কেৱল জামিনবিহীন অপৰাধৰ ক্ষেত্ৰতহে জাৰি কৰিব পাৰি। এই প্ৰসংগটোৰ প্ৰতি লক্ষ্য ৰাখি আপীলকাৰীসকলৰ যুক্তি আৰু অধিক পৰীক্ষা কৰাৰ প্ৰয়োজন নাই যে তেওঁলোকে অভিযোগ কৰা ধৰণে কোনো অপৰাধ সংঘটিত কৰা নাই।

১০) ওপৰৰ পৰ্যবেক্ষণসমূহৰ জৰিয়তে আমি এই আবেদনসমূহ নিষ্পত্তি কৰোঁ।

---x---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়


DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।”